# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 17-15 Hrs

## *Assamese Evening Bulletin*

-----------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ৭ বজাত নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৱেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনা লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্য তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে, ভাৰতবৰ্ষই আহোম শাসন কালৰ গৌৰৱোজ্জ্বল ঐতিহ্য চৰাইদেউ মৈদামক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভৰ বাবে মনোনয়ন কৰিছে। এইবাৰৰ অধিবেশনত এই বিষয়তো সিদ্ধান্ত  গ্ৰহণ কৰা হ'ব। ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই অধিবেশনত অসমক প্ৰতিনিধিত্ব কৰিব। ইয়াৰ উপৰি অধিৱেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত  ভাৰতীয় ছাত্ৰ-ছাত্ৰী দেশলৈ উভতনি যাত্ৰা অব্যাহত আছে।   বাংলাদেশৰ ঢাকা, মানিকগঞ্জ, বগুৰাকে ধৰি বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত ধুবুৰী জিলাৰ ছাত্ৰ-ছাত্ৰীসকলো সুকলমে ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিছে। আজিলৈকে ধুবুৰী আৰু গৌৰীপুৰত মুঠ ছজন ছাত্ৰ-ছাত্ৰীক ভাৰতীয় উচ্চায়ুক্তৰ উদ্যোগত ঘুৰাই অনা হৈছে। একেদৰে শিৱসাগৰ জিলাৰো এজন ছাত্ৰ হিংসাত্মক পৰিস্থিতিৰ মাজেৰে ঘুৰি আহিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, শেহতীয়াকৈ ৰাজ্যৰ ১৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দল বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত সুকলমে দেশলৈ ঘুৰি আহিবলৈ সমৰ্থ হৈছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া তথ্য অনুযায়ী ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ লগতে চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়ুক্তই ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰি অহাত সহায় কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া বিবৃতি অনুযায়ী স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়ুক্ত আৰু সহকাৰী উচ্চায়ুক্তসকলে ভাৰত-বাংলাদেশৰ সীমান্ত পাৰ কৰি ভাৰতীয় নাগৰিক সকলৰ নিৰাপদ যাত্ৰা সুনিশ্চিত কৰিছে। ইয়াৰ বাবে মন্ত্ৰালয়ে সামৰিক বিমান পৰিবহণ, বন্দৰ আৰু সীমা সুৰক্ষা বাহিনীৰ কৰ্তৃপক্ষৰ সহযোগিতাত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে ৰাজ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ কৰিমগঞ্জ সুতাৰকান্দি সংহত পহৰা চকীৰ জৰিয়তেও ৪১ গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰী বাংলাদেশৰ পৰা স্বদেশলৈ উভতি আহিছে। কৰিমগঞ্জ জিলা প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ আৰু বাংলাদেশৰ পৰা অহা ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়টোক তদাৰক কৰিবলৈ এজন দণ্ডাধীশক দায়িত্ব অপৰ্ণ কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আৱকাৰী আৰু আৰক্ষী বিভাগে অবৈধ সুৰা জব্দ কৰাৰ লগতে বিনষ্ট কৰে। বাক্সা জিলাৰ অন্তৰ্গত শিমলা আৰক্ষী থানাই জব্দ কৰা বৃহৎ পৰিমাণৰ অবৈধ সুৰা হোজোৱাৰ পতানৈৰ পাৰত ৰাইজ আৰু বিভিন্ন দল সংগঠনৰ উপস্থিতিত নষ্ট কৰা হয়। উল্লেখযোগ্য যে চলিত বৰ্ষত শিমলা আৰক্ষী থানাই জিলাখনৰ বিভিন্ন স্থানৰ পৰা আঢ়ৈ লাখতকৈ অধিক টকাৰ সুৰা জব্দ কৰিছিল। একেদৰে ওদালগুৰিতো আৱকাৰী অধীক্ষকৰ তত্বাৱধানত প্ৰায় ৩ কোটি মূল্যৰ অবৈধ সুৰা পৌৰসভাৰ দাম্পিং গ্ৰাউণ্ডত নষ্ট কৰা হয়। অবৈধ সুৰাৰ এই জব্দ আৰু নষ্ট প্ৰক্ৰিয়া সন্দৰ্ভত ওদালগুৰি আৰক্ষীয়ে মুঠ ৫৫ টা গোচৰ পঞ্জীয়ন কৰিছে।

০০০০০০

কৰিমগঞ্জকে ধৰি ৰাজ্যৰ ৩ খন জিলাত ঔদ্যোগিক উদ্যান নিৰ্মাণৰ প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। কৰিমগঞ্জত পাথাৰকান্দি অঞ্চলত এখন উদ্যান গঢ়ি তোলা হ'ব। পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালে এই সন্দৰ্ভত চৰকাৰৰ পদক্ষেপৰ শলাগ লৈ কয় যে, এই প্ৰকল্পৰ ফলত অঞ্চলটোত ৫ ৰ পৰা ৭ হাজাৰ নিবনুৱা যুৱক যুৱতীয়ে কৰ্ম সংস্থাপন লাভ কৰিব। উদ্যানখনে অঞ্চলটোৰ অৰ্থনীতিৰ ব্যাপক পৰিৱৰ্তন ঘটাব বুলি বিধায়কজনে মন্তব্য কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বৰ মুঠ ১২ টা স্থানত ঔদ্যোগিক উদ্যান প্ৰকল্পৰ অনুমোদন জনাইছে।

০০০০০০

ছাত্ৰ-ছাত্ৰীৰ নৈতিক পতন আৰু মাদক দ্ৰব্যৰ প্ৰতি আসক্তি বৃদ্ধিয়ে সমাজত পেলোৱা কু-প্ৰভাৱ দূৰীকৰণৰ বাবে আজি নিখিল বড়ো ছাত্ৰ সন্থাৰ বাক্সা জিলা সমিতিয়ে মুছলপুৰত এখন শৈক্ষিক আলোচনা সভা অনুষ্ঠিত কৰে। আলোচনাসভাত মহকুমাটোৰ বড়ো মাধ্যমৰ বিদ্যালয়সমূহৰ শিক্ষক-শিয়ক্ষিত্ৰীসকল উপস্থিত থাকে। সভাত উপস্থিত থাকি নিখিল বড়ো ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সভাপতিয়ে নৱ প্ৰজন্মক অনুজ্ঞাপত্ৰ অবিহনে আৰু সুৰাপান কৰি যান-বাহন নচলাবলৈ আহ্বান জনায়।

০০০০০০

ভাৰতীয় জনতা যুৱ মৰ্চাৰ অসম প্ৰদেশে ৰাকেশ দাসক সভাপতিৰূপে নিযুক্ত কৰিছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আজি এই বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উল্লেখযোগ্য যে, নৱনিযুক্ত সভাপতি ৰাকেশ দাসে পূৰ্বতে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সম্পাদকৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০

সমাপ্ত